জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ৩০৯/২০২১*

ৰাষ্ট্ৰীয় সংহতি আৰু ৰাষ্ট্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বিশিষ্ট লেখক ড° নিৰোদ কুমাৰ বৰুৱা, কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ন্যাসৰ অসম শাখা আৰু শ্বিলং চেম্বাৰ কয়ৰক ২০২১ বৰ্ষৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বঁটা প্ৰদান কৰিলে উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে

# লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে আধুনিক অসমৰ ভেটি স্থাপন কৰিছিল ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ অক্টোবৰ ঃ** উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে আজি অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক কাৰ্যসূচীত বিশিষ্ট লেখক, পণ্ডিত ড° নিৰোদ কুমাৰ বৰুৱা, কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ন্যাসৰ অসম শাখা আৰু মেঘালয়ৰ শ্বিলং চেম্বাৰ কয়ৰক ২০২১ বৰ্ষৰ সন্মানীয় লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি আৰু অৱদান বঁটা প্ৰদান কৰে।

অসমৰ প্ৰথম মুখ্যমন্ত্ৰী ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ স্মৃতিত অসম চৰকাৰে এই বঁটা প্ৰৱৰ্তন কৰিছিল। ৰাষ্ট্ৰীয় সংহতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ স্বীকৃতিস্বৰূপে ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰৰ ব্যক্তি অথবা সংস্থালৈ এই বঁটা আগবঢ়োৱা হয়। এই বঁটাত আছে নগদ ৫ লাখ টকা, এখন প্ৰশস্তিপত্ৰ আৰু এখনি অংগবস্ত্ৰ।

সম্প্ৰতি জাৰ্মানীত বসবাস কৰা প্ৰতিষ্ঠিত লেখক-পণ্ডিত ড° নিৰোদ কুমাৰ বৰুৱা আছিল গুৱাহাটীৰ কটন কলেজ আৰু বেনাৰস বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, যি দিল্লী বিশ্ববিদ্যালয়ত আধুনিক ইতিহাস বিষয়ত পাঠদান কৰিছিল। তেওঁ অসমৰ বিশেষ প্ৰসংগৰে দেশৰ স্বাধীনতা আন্দোলনৰ ওপৰত কেইবাখনো গ্ৰন্থ আৰু গৱেষণা পত্ৰ প্ৰকাশ কৰিছে। ঐতিহাসিক বিষয়বস্তুৰ ওপৰত ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে তেওঁ কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰিছে। ১৯৭৫ চনত জাৰ্মানীৰ বন্ বিশ্ববিদ্যালয়ৰ পৰা ডি ফিল ডিগ্ৰী লাভ কৰা বৰুৱা কিছুকালৰ বাবে জাৰ্মানীৰ এছ'চিয়েচন অৱ দ্য ফৰেইন প্ৰেছৰো সদস্য আছিল।

কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ন্যাসৰ অসম শাখা ১৯৪৬ চনৰ ৯ জানুৱাৰীত জাতিৰ পিতা মহাত্মা গান্ধীয়ে প্ৰতিষ্ঠা কৰিছিল। ৰাষ্ট্ৰীয় সংহতি আৰু অহিংস আন্দোলনৰ আদৰ্শ প্ৰচাৰ কৰাৰ দিশত বৃহৎ বৰঙনি আগবঢ়োৱা এই ন্যাসে মহিলা সৱলীকৰণৰ দিশতো যথেষ্ট অৰিহণা যোগাই আহিছে।

শ্বিলং চেম্বাৰ কয়ৰ হৈছে মেঘালয়ৰ শ্বিলঙত অৱস্থিত এক ভাৰতীয় চেম্বাৰ কয়ৰ। ২০০১ চনত প্ৰতিষ্ঠা কৰা এই দলটোৱে কেইবাখনো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত নিজৰ প্ৰদৰ্শন আগবঢ়াই যথেষ্ট প্ৰশংসা লাভ কৰিছে। সংগীতশিল্পীৰ এই দলটোৰ উল্লেখযোগ্য সাফল্যৰ ভিতৰত আছে নৱেম্বৰ, ২০১০ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ তদানীন্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামা আৰু ফাৰ্ষ্ট লেডী মিচেল অ'বামাৰ ভাৰত ভ্ৰমণৰ

সময়ত তেওঁলোকৰ সন্মানাৰ্থে ৰাষ্ট্ৰপতি প্ৰতিভা পাটিলে ৮ নৱেম্বৰত ৰাষ্ট্ৰপতি ভৱনত আয়োজন কৰা প্ৰীতিভোজত ইয়াৰ প্ৰদৰ্শন ইত্যাদি।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লোকপ্ৰিয় গোপীনাথ বৰদলৈলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে তেওঁ আধুনিক অসমৰ ভেটি স্থাপন কৰা এগৰাকী দূৰদৰ্শী নেতা। ড° শৰ্মাই কয় যে বৰদলৈয়ে সদায় ৰাজ্যখনৰ জনসাধাৰণৰ স্বাৰ্থৰ বাবে থিয় দিছিল আৰু ৰাজ্যখনৰ প্ৰতি তেওঁৰ অনবদ্য ভূমিকা, আপোচহীন মনোভাৱ আৰু দায়বদ্ধতাৰ বাবেই আজিও অসম ভাৰতৰ এক অবিচ্ছেদ্য অংগ হৈ আছে।

ভাৰতৰ স্বাধীনতা আন্দোলনত আৰু অসমৰ প্ৰাদেশিক চৰকাৰখনৰ প্ৰধানমন্ত্ৰী হিচাপে বৰদলৈৰ ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে লোকপ্ৰিয় বৰদলৈয়ে আটাইতকৈ সংকটৰ সময়ত অপৰিসীম ধৈৰ্য আৰু দূৰদৰ্শিতাৰে ৰাজ্যখনক সবল নেতৃত্ব প্ৰদান কৰিছিল।

ড° শৰ্মাই কয় যে মহাত্মা গান্ধীৰ আশীৰ্বাদত বৰদলৈয়ে অসমক তেতিয়াৰ পূব পাকিস্তানৰ সৈতে গ্ৰুপ 'চি'ত ৰখাৰ কেবিনেট মিছনৰ প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু তেওঁৰ নেতৃত্বৰ বাবেই অসম ভাৰতৰ অংশ হৈ ৰ'ল। মুখ্যমন্ত্ৰীয়ে কয় যে লোকপ্ৰিয় বৰদলৈয়ে কেতিয়াও অসমৰ স্বাৰ্থৰ সৈতে আপোচ কৰা নাছিল আৰু ছাদুল্লা চৰকাৰৰ কূট কৌশল বিফল কৰাৰ দিশত এক বলিষ্ঠ ভূমিকা পালন কৰিছিল।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ছাদুল্লা চৰকাৰৰ 'অধিক খাদ্যশস্য উৎপাদন' নীতিৰ বিৰোধিতা, সংবিধানত ষষ্ঠ অনুসূচী অন্তৰ্ভুক্তিকৰণ তথা বেল্ট আৰু ব্লক সৃষ্টিৰ দিশত আগবঢ়োৱা অৰদান আৰু কেবিনেট মিছনৰ গ্ৰুপিং পদ্ধতিৰ বিৰুদ্ধে থিয় দিয়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা স্থিতিৰ বাবে অসমৰ ইতিহাসত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নাম সদায়ে স্মৰণীয় হৈ থাকিব।

সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই বঁটা প্ৰদান অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আৰু ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়েও ভাষণ প্ৰদান কৰে।

***বীঃগঃ/প্ৰঃকুঃবঃ***
**৩-১০-২০২১**